আমাৰ অসম 7 AUGUST. 1997

### কে চি দাস মহাবিদ্যালয়ত চূড়ান্ত অনিয়ম

# নিযুক্তিৰ পিছতো বাতিল হ'ল প্ৰবক্তাৰ চাকৰি

## অন্তৰালৰ শুভাকাংক্ষী কোন ?

ষ্টাফ ৰিপ'টাৰ, ৬ আগষ্ট ঃ গুৱাহাটী মহানগৰীৰ কেশৱ চন্দ্ৰ দাস বাণিজ্য মহাবিদ্যালয়ত এজন প্ৰাৰ্থীয়ে প্ৰবক্তা হিচাপে নিযুক্তি পোৱাৰ পিছতো মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদকজনৰ ইচ্ছাতে প্ৰাৰ্থীজনৰ নিযুক্তি বাতিল হোৱা ঘটনা এটি পোহৰলৈ আহিছে।

জানিব পৰা মতে, ১৯৯৬ চনৰ ১১ মাৰ্চত প্ৰশান্ত শৰ্মা নামৰ প্ৰাৰ্থীজন কে চি দাস মহাবিদ্যালয়ৰ হিচাপ বিজ্ঞান বিভাগৰ প্ৰবক্তাৰ বাবে সাক্ষাৎকাৰত অৱতীৰ্ণ হৈ প্ৰথম স্থানত নিৰ্বাচিত হৈছিল। সেই সাক্ষাৎকাৰত উপস্থিত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ড' দেব দাস ভড়ালী, প্ৰাক্তন বাণিজ্য গুৰু ড' অনিল কুমাৰ শৰ্মা, কলেজখনৰ অধ্যাপক বন্ধুৰাম ডেকা, পৰিচালনা সমিতিৰ সম্পাদক সুৰজিৎ মিত্ৰ। প্ৰথম স্থানত নিৰ্বাচিত হৈ সম্পাদক সুৰজিৎ মিত্ৰক লগ ধৰাত তেওঁ গ্ৰীষ্ম বন্ধৰ পিছতে নিযুক্তি হোৱাৰ কথা জানিবলৈ দিয়ে যদিও সময়ত খবৰ কৰাত পৰিচালনা সমিতিয়ে পূজাৰ পিছতহে নিযুক্তিৰ নিৰ্দেশ দিয়া বুলি জানিবলৈ দিয়ে।

কিন্তু পূজাৰ বন্ধৰ পিছত আন এজনকহে সাময়িকভাৱে নিযুক্তি দিয়া হ'ল। এই কথা পৰিচালনা সমিতিৰ সম্পাদককে ধৰি অন্যান্যসকলক অৱগত কৰাত প্ৰশান্ত শৰ্মাক এই বিষয় পুনৰ উত্থাপন নকৰিবলৈ ধমক দিয়ে। উল্লেখযোগ্য যে এইখিনি সময়তে কলেজখনৰ অধ্যাপক হিচাপে যোগদান কৰে প্ৰাক্তন বিধায়ক হিতেশ ডেকাই। তেওঁক ঘটনাটো অৱগত কৰাত প্ৰশান্ত শৰ্মাই বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰা যোগ্যতা আৰু অন্যান্য শিক্ষাগত অৰ্হতা থকা সত্ত্বেও নিযুক্তি বন্ধ ৰখাত আশ্চৰ্য প্ৰকাশ কৰে। এই সংক্ৰান্তত প্ৰশান্ত শৰ্মাই যোৱা ৯ মাৰ্চত মন্ত্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাকো সাক্ষাৎ কৰে।

উক্ত সময়ত অধ্যক্ষ আৰু পৰিচালনা সমিতি সম্পাদকো উপস্থিত আছিল। মন্ত্ৰী কলিতাই প্ৰশান্ত শৰ্মাক শীঘ্ৰে নিযুক্তি দিবলৈ অধ্যক্ষক নিৰ্দেশ দিয়ে। সেইমতে ১০ মাৰ্চত প্ৰশান্ত শৰ্মাই পোৱা নিযুক্তি-পত্ৰ অনুসৰি ১ আগষ্টৰ পৰা কলেজখনত যোগদান কৰাৰ কথা আছিল।

ইফালে নিৰ্দিষ্ট সময়ত অৰ্থাৎ ১ আগষ্টত প্ৰশান্ত শৰ্মাই অধ্যক্ষক লগ ধৰি সকলো নথি-পত্ৰ দাখিল কৰে। কিন্তু ইতিমধ্যে পৰিচালনা সমিতিৰ সম্পাদক সুৰজিৎ মিত্ৰই যোগদানৰ বাবে দিয়া আবেদনখনৰ ওপৰত 'গ্ৰহণযোগ্য নহয়' বুলি লিখি দিয়াৰ উপৰি দুৰ্ব্যৱহাৰ কৰে। সম্পাদকৰ এনে দুৰ্ব্যৱহাৰ দেখি অধ্যক্ষ আৰু উপাধ্যক্ষও নীৰৱ হৈ থাকিল।

ইতিমধ্যে কে. চি দাস মহাবিদ্যালয়ত যোগদানৰ বাবে প্ৰশান্ত শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা যাৱতীয় অব্যাহতি লৈছিল।

সম্পূৰ্ণ নীতি-নিয়মৰ ভিত্তিত নিযুক্তি পাব লগা প্ৰাৰ্থী এজনক এনেদৰে পৰিচালনা সমিতিৰ সম্পাদকে নিযুক্তি দিয়াৰ সলনি বিধি-পথালি দিয়াৰ অন্তৰালত থকা ৰহস্যই সচেতন মহলক উদ্বিগ্ন কৰিছে।